**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 29-06-2025 **Time :** 1845 Hrs.

**Assamese Evening Bulletin**
**Headlines**

১। বদৰপুৰ-লামডিং ৰে'লপথত ৰে'ল চলাচল পুনৰ আংশিকভাৱে আৰম্ভ।

২। মৰাণত বিমানৰ ই এল এফ যুক্ত ৰাষ্ট্ৰীয় ঘাইপথৰ নিৰ্মাণ পৰিদৰ্শন মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ।

৩। মন কী বাতত বড়োলেণ্ডৰ ফুটবলৰ ক্ষেত্ৰক ভূয়সী প্ৰশংসা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ।

৪। দৰং জিলাত জাপানিজ এনচেফেলাইটিছৰ গুৰুতৰ ৰূপ ধাৰণ।

আৰু

৫। বাৰ্লিনত মহিলাৰ এফ আই এইছ প্ৰ' লীগ হকী প্ৰতিযোগিতাত নিজৰ অন্তিমখন খেলত আজি ভাৰত চীনৰ বিৰুদ্ধে অৱতীৰ্ণ।

০০০০০০০

উত্তৰ-পূব সীমান্ত ৰে'লৱেই আজি বদৰপুৰ-লামডিং ৰে'লপথৰ জাতিংগা-লামপুৰ-নিউ হাফলং অংশত ৰে'ল চলাচল পুনৰ আংশিকভাৱে আৰম্ভ কৰিছে। আজি দিনত শিয়ালদহ-শিলচৰ কাঞ্চনজংঘা এক্সপ্ৰেছ ৰে'লগাড়ীখন এই ৰে'লপথেৰে সুকলমে যাত্ৰা কৰা পৰিলক্ষিত হয়। উল্লেখযোগ্য যে জাতিংগা-লামপুৰ অঞ্চলত ভূমিস্খলনৰ ফলত বদৰপুৰ-লামডিং ৰে'লপথেৰে যাত্ৰা ছদিন ব্যাহত হৈ আছিল। কালি পুৱা কলকাতাৰ পৰা ৰাওনা হোৱা শিয়ালদহ-শিলচৰ কাঞ্চনজংঘা এক্সপ্ৰেছে আজি এই পাহাৰীয়া ৰে'লপথছোৱা অতিক্ৰম কৰে। যোৱা ২৩ জুনৰ পৰা ভূমিস্খলনৰ বাবে ডিমা হাছাও আৰু বৰাক উপত্যকাৰ লগতে ত্ৰিপুৰা, মিজোৰাম আৰু মণিপুৰৰ সৈতেও ৰে'ল যোগাযোগ বিচ্ছিন্ন হৈ আছিল। লামডিং-বদৰপুৰ ৰে'লপথত যাত্ৰীবাহী ৰে'লৰ পুনৰ চলাচল সন্দৰ্ভত এয়া আমাৰ কাছাৰ জিলাৰ সংবাদদাতা আঁখি ৰাণী দাস–

বাইট

আজিৰ দিনটোত দুখন বা তিনিখন ৰে'ল চলাচল কৰাৰ পৰিৱৰ্তে অধিকাংশ ৰে'লৰ যাত্ৰা এতিয়াও সুৰক্ষাজনিত কাৰণত বাতিল কৰি ৰখা হৈছে। ৰে'লপথছোৱাৰ আংশিক পুনৰুদ্ধাৰৰ পাছত যাত্ৰীবাহী ৰে'লগাড়ী চলাচল কৰাৰ আগতে মালবাহী ৰে'ল চলাই ট্ৰেকৰ সবিশেষ পৰীক্ষা কৰা হয়। সোমবাৰৰ পৰা ৰে'লসেৱা সম্পূৰ্ণভাৱে আৰম্ভ কৰা হ'ব বুলি উত্তৰ-পূব সীমান্ত ৰে'লৱেই এটা বিবৃতিযোগে প্ৰকাশ কৰিছে।

০০০০০০০

০০০০০০০

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি শিৱসাগৰ জিলা ভ্ৰমণ কৰি জিলাখনৰ কেইবাটাও গুৰুত্বপূৰ্ণ স্থান পৰিদৰ্শন কৰাৰ লগতে বিভিন্ন উন্নয়নমূলক প্ৰকল্পৰ পৰ্যালোচনা কৰে। ড° শৰ্মাই প্ৰথমে ৰংঘৰ পৰিদৰ্শন কৰি প্ৰস্তাৱিত অত্যাধুনিক প্ৰকল্পৰ প্ৰস্তুতি সম্পৰ্কে বুজ লোৱাৰ লগতে কৃত্ৰিম বানৰ উৎপত্তি আৰু সমাধান সন্দৰ্ভতো পৰ্যবেক্ষণ কৰে।

বাইট চি এম (মুজাহিদ)

তেওঁ শিৱসাগৰ জিলাৰ ৰাষ্ট্ৰীয় ঘাইপথৰ ডিমৌ-মৰাণ অংশত বিমানৰ জৰুৰীকালীন অৱতৰণৰ সুবিধা – ই এল এফেৰে নিৰ্মাণ কৰা বিশেষ স্থান পৰিদৰ্শন কৰে। মুখ্যমন্ত্ৰীয়ে এই আন্তঃগাঁথনি ৰাষ্ট্ৰীয় সুৰক্ষাৰ দিশত গুৰুত্বপূৰ্ণ সম্পদ বুলি মন্তব্য কৰে। বিমানৰ উৰণ আৰু অৱতৰণৰ সুবিধা থকা এনে আন দুটা ৰাষ্ট্ৰীয় ঘাইপথৰ অংশ হোজাই আৰু বাক্সাত নিৰ্মাণ কৰি থকা হৈছে।

বাইট চি এম (এফ বি)

যুদ্ধবিমান ৰাফেল, মিগ, তেজশ আদিকে ধৰি সামৰিক বিমান অৱতৰণ আৰু উৰণৰ আৰ্হিৰে এই ই এল এফ নিৰ্মাণ কৰা হৈছে। জৰুৰীকালীন সময়ৰ বাদে এই পথটো সাধাৰণ বাহন চলাচলৰ বাবে নিয়মীয়া ঘাইপথ হিচাপে ব্যৱহাৰ কৰা হ'ব।

ৰংঘৰৰ বাকৰিৰ পৰা মুখ্যমন্ত্ৰী ডঃ শৰ্মা অ' এন জি চিৰ তৈলখাদৰ বিস্ফোৰণ সংঘটিত হোৱা ভটিয়াপাৰলৈ ৰাওনা হ'ব। তেওঁ ভটিয়াপাৰৰ ক্ষতিগ্ৰস্ত পৰিয়ালসমূহৰ সৈতে আলোচনাত মিলিত হৈ অভাৱ-অভিযোগৰ বুজ ল'ব। ইয়াৰ পাছত তেওঁ হাৰমতিগড় আৰু গৌৰীসাগৰৰ চাৰিলেনযুক্ত পথ সংযোগী নৱনিৰ্মিত দলঙৰ বাবে প্ৰয়োজনীয় পথৰ সমস্যাৰ বুজ ল'ব। তেওঁ ২ কিলোমিটাৰ নিলগৰ শ্ৰীপুৰীয়া ঘাটৰ দিখৌ নৈৰ ঘাটত নিৰ্মাণ কৰা পকী দলং উদ্বোধন কৰিব।

ডঃ শৰ্মাই আজি পুৱা ধাৰাপুৰ তালুক সভাঘৰৰ আধাৰশিলা স্থাপন কৰে। এই উপলক্ষে আয়োজিত অনুষ্ঠানত ভাষণ দি, ৰাজ্য চৰকাৰে আছুতীয়া পুঁজিৰ পৰা আগবঢ়োৱা ৬০ লাখ টকাৰে সভাঘৰটোৰ নিৰ্মাণৰ প্ৰথম পৰ্যায়ৰ কাম আৰম্ভ কৰিছে বুলি মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে। ইয়াৰ পাছতে কেইবাটাও কাৰ্যসূচীত অংশগ্ৰহণ কৰাৰ উদ্দেশ্যেৰে মুখ্যমন্ত্ৰী শিৱসাগৰত উপস্থিত হয়।

০০০০০০০

কাইলৈ মুখ্যমন্ত্ৰীগৰাকীয়ে গোলাঘাটলৈ যাব। পুৱাৰ ভাগত তেওঁ ঐতিহ্যমণ্ডিত শ্ৰীশ্ৰী আঠখেলিয়া নামঘৰ আৰু আঠখেলিয়াৰ ত্ৰিশূলধাৰী মন্দিৰ দৰ্শন কৰিব। ইয়াৰ পাছত মুখ্যমন্ত্ৰী ড০ শৰ্মাই গোলাঘাট জিলা ক্ৰীড়া সন্থাৰ ইনড'ৰ ষ্টেডিয়াম উন্মোচন কৰিব। এই ভ্ৰমণৰ সময়ছোৱাত তেওঁ নৱনিৰ্মিত গোলাঘাট চৰকাৰী বেজবৰুৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ক্ৰীড়া প্ৰকল্পও উন্মোচন কৰিব।

০০০০০০০

বিদ্যালয় শিক্ষা বিভাগে শাৰদীয় দুৰ্গাপূজাৰ সময়ত ১২ হাজাৰৰো অধিক শিক্ষক পদত নিযুক্তি দিব বুলি শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে প্ৰকাশ কৰিছে। শিক্ষক পদ পুৰণৰ বাবে অৰ্হতা সম্পন্ন প্ৰাৰ্থীৰ বাচনি প্ৰক্ৰিয়া চলি আছে বুলিও মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিছে। পহিলা জুলাইৰ পৰা মাধ্যমিক পৰ্যায়ত খালী হৈ থকা ৭ হাজাৰ ৫৮৮ টা শিক্ষক পদ পূৰণৰ প্ৰক্ৰিয়া আৰম্ভ হ'ব। ডিব্ৰুগড়, যোৰহাট, কাছাৰ, নগাঁও, কামৰূপ মহানগৰ আৰু বঙাইগাঁও জিলাত নিযুক্ত হ'বলগীয়া এই স্নাতক শিক্ষকৰ পদসমূহ পুৰণৰ বাবে ছটা মণ্ডলত প্ৰাৰ্থীৰ নথিপত্ৰ পৰীক্ষণৰ প্ৰক্ৰিয়া আৰম্ভ হ'ব। মাধ্যমিক শিক্ষা সঞ্চালকালয়ৰ দ্বাৰা পৰিচালিত হ'বলগীয়া এই বাচনি প্ৰক্ৰিয়া সন্দৰ্ভত শিক্ষা মন্ত্ৰীগৰাকীয়ে কয়, যে স্নাতক শিক্ষকৰ বাবে মুঠ সাত হাজাৰ ৫৮৮ টা পদৰ বাবে আবেদন বিচৰা হৈছিল আৰু এই পদৰ বাবে ছহেজাৰ ২৩৬ গৰাকী প্ৰাৰ্থীৰ আবেদন যোগ্য বিবেচিত হৈছে। বাকী এহেজাৰ ৩৫২ টা পদৰ বাবে পৰৱৰ্তী সময়ত বিজ্ঞাপন প্ৰকাশ কৰা হ'ব বুলি মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে। ৰাজ্যৰ বিভিন্ন বিদ্যালয়ত খালী হৈ থকা স্নাতকোত্তৰ শিক্ষকৰ এহেজাৰ ৪৮৭ টা পদৰ বাবে নথি পৰীক্ষণ সম্পূৰ্ণ হোৱাৰ পাছতো খালী হৈ ৰ'বলগীয়া ২৩০টা পদ সন্দৰ্ভত ডাঃ পেগুৱে এই পদসমূহৰ বাবেও শীঘ্ৰে বিজ্ঞাপন প্ৰকাশ কৰা হ'ব বুলি মন্তব্য কৰে।

০০০০০০০

স্বাস্থ্যখণ্ডৰ পৰা আৰম্ভ কৰি সামাজিক সুৰক্ষা পৰ্যন্ত সকলো দিশতে ভাৰতবৰ্ষই সম্প্ৰতি পৰিপূৰ্ণতা লাভ কৰিছে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আকাশবাণীৰ মন কী বাত অনুষ্ঠানত আজি প্ৰকাশ কৰে। এয়া সামাজিক সুৰক্ষাৰ অন্যতম দৃষ্টান্ত হিচাপে পৰিগণিত হৈছে বুলিও প্ৰধানমন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে। আন্তঃৰাষ্ট্ৰীয় শ্ৰম সংগঠন আই এল অ'ৰ প্ৰতিবেদনৰ উদ্ধৃতি দি তেওঁ ভাৰতত সামাজিক সুৰক্ষা আঁচনিৰ সফল ৰূপায়ণৰ বিষয়ে ব্যাখ্যা কৰি কয় যে দেশৰ ৬৪ শতাংশতকৈও অধিক লোক সম্প্ৰতি সামাজিক সুৰক্ষা আঁচনিৰ জৰিয়তে উপকৃত হৈছে। শ্ৰীমোদীয়ে ২০১৫ চনলৈকে ২৫ কোটিতকৈও কম সংখ্যক লোক এনে আঁচনিৰ জৰিয়তে উপকৃত হোৱাৰ বিপৰীতে সম্প্ৰতি প্ৰায় ৯৫ কোটি লোকে এই আঁচনিসমূহৰ সুবিধা লাভ কৰাৰ তথ্য মন কী বাতত সদৰি কৰে।

অসমৰ বড়োলেণ্ডৰ ফুটবলৰ ক্ষেত্ৰখনক ভূয়সী প্ৰশংসা কৰি প্ৰধানমন্ত্ৰীয়ে মন কী বাতৰ আজিৰ খণ্ডত কয়, যে এই অঞ্চলটো সম্প্ৰতি নতুন পৰিচয়েৰে উদ্ভাসিত হৈ পৰিছে। এই অঞ্চলটোৰ যুৱচামে ফুটবলৰ পথাৰত সকলোৰে দৃষ্টি আকৰ্ষণ কৰা বুলি মত প্ৰকাশ কৰি প্ৰসংগক্ৰমে তেওঁ হলীচৰণ নাৰ্জাৰী, দুৰ্গা বড়ো, অপূৰ্ণা নাৰ্জাৰী, মনবীৰ বসুমতাৰীকে ধৰি কেইবাগৰাকীও আগশাৰীৰ ফুটবল খেলুৱৈৰ নামো উল্লেখ কৰে। বিটিআৰ এলেকাত আয়োজন কৰা বড়োলেণ্ড চি ই এম কাপ

প্ৰতিযোগিতাক ঐক্য আৰু আশাৰ উদ্‌যাপন বুলি অভিহিত কৰি প্ৰধানমন্ত্ৰীয়ে কয়, যে এই প্ৰতিযোগিতাত ৩ হাজাৰ ৭০০ টা দলৰ প্ৰায় ৭০ হাজাৰ গৰাকী খেলুৱৈয়ে অংশগ্ৰহণ কৰিছে। অংশগ্ৰহণকাৰীসকলৰ মাজত তাৎপৰ্যপূৰ্ণভাৱে বৃহৎ সংখ্যক মহিলা খেলুৱৈও থকাৰ বিষয়ে তেওঁ বিশেষভাৱে উল্লেখ কৰে। দেশৰ ক্ৰীড়া মানচিত্ৰত বড়োলেণ্ড অঞ্চলটো দ্ৰুত গতিত উদ্ভাসিত হৈ আহিছে বুলি শ্ৰীমোদীয়ে মন কী বাতত প্ৰকাশ কৰে।

ভাৰতৰ আঞ্চলিক ভাষিক আৰু সাংস্কৃতিক বৈচিত্ৰ্যৰ প্ৰসংগ উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে এনে বৈচিত্ৰ্যই দেশক বিশেষ পৰিচয় প্ৰদান কৰা বুলি মন্তব্য কৰে। মেঘালয়ৰ এৰী সূতাই জি আই টেগ লাভ কৰাৰ প্ৰসংগত তেওঁ কয়, যে এৰী কাপোৰৰ চাহিদা বিশ্বত দ্ৰুত গতিত বৃদ্ধি পাইছে। পলু নিধন নকৰাকৈ অহিংস পদ্ধতিৰে উৎপাদন কৰা এইবিধ সামগ্ৰী গ্ৰীষ্ম আৰু শীত উভয় পৰিৱেশতে সকলোৰে বাবে গ্ৰহণযোগ্য সামগ্ৰী হিচাপে পৰিচিত হৈছে বুলি তেওঁ মত প্ৰকাশ কৰে। দৃষ্টিশক্তিৰ ক্ষেত্ৰত দীৰ্ঘদিন ধৰি ভাবুকিৰ সৃষ্টি কৰি অহা ট্ৰ'ক'মা ৰোগৰ বিষয়টোৰ প্ৰতি চৰকাৰে গুৰুত্ব আৰোপ কৰাৰ প্ৰসংগ উল্লেখ কৰি তেওঁ, সম্প্ৰতি বিশ্ব স্বাস্থ্য সংস্থাই ভাৰতবৰ্ষক ট্ৰ'ক'মামুক্ত দেশ হিচাপে ঘোষণা কৰাটোক বিশেষ সফলতা বুলি অভিহিত কৰে। এই সফলতাক তেওঁ ট্ৰ'ক'মা ৰোগৰ বিৰুদ্ধে অবিৰতভাৱে যুঁজ দি অহা লাখ লাখ লোকৰ কষ্ট আৰু পৰিশ্ৰমৰ সুফল বুলি আখ্যা দিয়ে। কেইদিনমান পূৰ্বে দেশে জৰুৰীকালিন অৱস্থাৰ ৫০ বছৰ পূৰ কৰাৰ সৈতে সংগতি ৰাখি শ্ৰী মোদীয়ে দেশবাসীয়ে সংবিধান হত্যা দিৱস পালন কৰাৰ প্ৰসংগও উল্লেখ কৰে। এই প্ৰসংগত প্ৰধানমন্ত্ৰীয়ে তেনে প্ৰতিকুল পৰিস্থিতিৰ সৈতে যুঁজ দি দেশৰ সংবিধানখনক সুৰক্ষিত কৰি ৰখাৰ প্ৰতি বৰঙণি আগবঢ়োৱা নেতৃবৰ্গৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰে। মন কী বাত অনুষ্ঠানত যোৱা ২১ জুনত পালন কৰা আন্তৰ্ৰাষ্ট্ৰীয় যোগ দিৱসৰ বিষয়ে উল্লেখ কৰি তেওঁ কয় যে সমগ্ৰ দেশৰ লগতে বিশ্বৰ আন আন দেশতো কোটি কোটি লোকে আগ্ৰহেৰে এই দিৱস পালন কৰে।

০০০০০০০

চলিত মাহৰ দ্বিতীয় সপ্তাহটোত দৰং জিলাত শেহতীয়াকৈ জাপানীজ এনচেফেলাইটিছ সদৃশ ৰোগে গুৰুতৰ ৰূপ ধাৰণ কৰিছে। জিলা স্বাস্থ্য বিভাগৰ উদ্ধৃতি দি আমাৰ দৰং জিলাৰ সংবাদদাতাই জনোৱা মতে জিলাখনত এই পৰ্যন্ত এই দুয়োবিধ ৰোগত তিনিজন লোকৰ মৃত্যু হৈছে। ইয়াৰ লগতে জাপানীজ এনচেফেলাইটিছ ৰোগত আঠজন আৰু এনচেফেলইটিছ সদৃশ ৰোগত আৰু ১৬জন লোক আক্ৰান্ত হৈ আছে বুলি বাতৰি পোৱা গৈছে। জিলা স্বাস্থ্য বিভাগে বাহকজনিত ৰোগৰ প্ৰাদুৰ্ভাৱ ৰোধ কৰাৰ বাবে যাৱতীয় প্ৰচেষ্টা গ্ৰহণ কৰিছে।

০০০০০০০

লখিমপুৰ, ধেমাজি আৰু বিশ্বনাথ জিলা সাহিত্য সভাৰ সহযোগত আজি উত্তৰ লখিমপুৰ বিশ্ববিদ্যালয়ত আজি অসম সাহিত্য সভাৰ কেন্দ্ৰীয় আকাশ অনুষ্ঠান উদযাপন কৰা হয়। পুৱা সভাৰ পতাকা উত্তোলনেৰে আৰম্ভ হোৱা এই কাৰ্যসূচীত সাহিত্য অকাডেমী বঁটাৰে সন্মানিত তেজপুৰ কেন্দ্ৰীয় বিশ্ববিদ্যালয়ৰ সহযোগী অধ্যাপক ড০ জুৰি দত্তই বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰে। কাৰ্যসূচীৰ সৈতে সংগতি ৰাখি এখন স্মৃতিগ্ৰন্থও উন্মোচন কৰা হয়। অৰুণাচল প্ৰদেশৰ সংগীত নাটক অকাডেমী বঁটাৰে সন্মানিত অ'লিন মেণ্ড ডামিনে এই অনুষ্ঠানত আমন্ত্ৰিত অতিথি হিচাপে অংশগ্ৰহণ কৰে।

০০০০০০০

ধেমাজি জিলা অধিবিদ্যা পৰিষদৰ সৌজন্যত আৰু সমগ্ৰ শিক্ষা, ধেমাজিৰ সহযোগত গ্ৰীষ্মবন্ধ উপলক্ষে ধেমাজি জিলাত 'গ্ৰীষ্মানন্দ' শীৰ্ষক এটা শিশু কল্যাণমুখী, শিক্ষা সহায়ক কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। ১ জুলাইৰ পৰা হ'বলগীয়া গৰম বন্ধৰ দিনবোৰত ছাত্ৰ-ছাত্ৰীসকলৰ ব্যক্তিগত তথা সামাজিক জীৱনশৈলীৰ সুস্থ বিকাশ ঘটোৱাৰ লগতে ম'বাইল, টিভি ইত্যাদি আসক্তিৰ পৰা মুক্ত কৰি সু-অভ্যাস গঠন কৰাৰ উদ্দেশ্যেৰে এই কাৰ্যসূচীত দায়িত্ববোধ আৰু শৃংখলাপূৰ্ণ জীৱন অভ্যাসৰ প্ৰশিক্ষণ দিয়া হ'ব। ধেমাজি জিলাৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক তথা সমগ্ৰ শিক্ষাৰ জিলা সমন্বয়ক কবিতা ডেকাৰ প্ৰচেষ্টাত হ'বলগীয়া এই কাৰ্যসূচীৰ বিষয়ে কাইলৈ জিলাখনৰ প্ৰতিখন বিদ্যালয়ত সূচনা অনুষ্ঠান আয়োজন কৰা হৈছে। পৰিদৰ্শকগৰাকীয়ে জিলাখনত সকলো বিদ্যালয়ৰ অধ্যক্ষ, শিক্ষক-শিক্ষয়িত্ৰী আৰু অভিভাৱকসকলক এই কাৰ্যসূচীত তত্বাৱধায়কৰূপে অংশগ্ৰহণ কৰিবলৈ আহ্বান জনাইছে।

০০০০০০০

বাৰ্লিনত অনুষ্ঠিত মহিলাৰ এফ আই এইছ প্ৰ' লীগ হকী প্ৰতিযোগিতাত আজি ভাৰতে নিজৰ অন্তিমখন খেলত চীনৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন নিশা ৮ বজাত আৰম্ভ হ'ব। প্ৰতিযোগিতাৰ কালি অনুষ্ঠিত এখন খেলত চীনে ভাৰতক ৩-০ গ'লৰ ব্যৱধানত পৰাস্ত কৰে। কালিৰ খেলখনত ভাৰতে সুন্দৰ আৰম্ভ কৰে আৰু চতুৰ্থ মিনিটত এটা পেনাল্টি কৰ্ণাৰৰ সুযোগ লাভ কৰে যদিও গ'ল কৰাত ব্যৰ্থ হয়।

0000000

তামুলপুৰ জিলাৰ ভাৰত-ভূটান সীমান্তৰ দৰঙাত আজি জিলা প্ৰশাসনৰ উদ্যোগত আয়োজিত নিচামুক্ত ভাৰত অভিযানৰ অন্তৰ্গত ২১ কিলোমিটাৰৰ **ৰাণ ফ'ৰ হেপিনেছ** শীৰ্ষক অৰ্ধ-মাৰাথন দৌৰ প্ৰতিযোগিতা সফলতাৰে সম্পন্ন হয়। প্ৰতিযোগিতা মুকলি কৰি জিলা আয়ুক্ত পংকজ চক্ৰৱৰ্তীয়ে এনে কাৰ্যসূচীয়ে ড্ৰাগছ, বাল্য বিবাহ, পথ সুৰক্ষা আদিৰ ক্ষেত্ৰত ৰাজ্যখনলৈ ইতিবাচক বাৰ্তা কঢ়িয়াই আনিব বুলি আশা প্ৰকাশ কৰে। দুশৰো অধিক প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰা এই কাৰ্যসূচীত পুৰুষ-মহিলা উভয়ৰে পাঁচগৰাকীকৈ প্ৰতিযোগীক পুৰস্কৃত কৰা হয়।

0000000

উজনি মাজুলীৰ গায়ন গাঁৰৰ বিশিষ্ট সমাজকৰ্মী, শাস্ত্ৰজ্ঞ দীনাৰাম কলিতাৰ আজি পুৱা দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৮২ বছৰ। গাঁওখনৰ মূল পাঠকীৰ উপৰি বহুতো নাটকত অভিনয় কৰি হাজাৰ হাজাৰ দৰ্শকৰ মনত সাঁচ বহুওৱা কলিতাৰ মৃত্যুত গায়ন গাঁও সমাজ কল্যাণ যুৱ সংঘ, নৱজ্যোতি কৃষ্টিসংঘ, শংকৰজ্যোতি সংঘৰ লগতে অন্যান্য অনুষ্ঠান-প্ৰতিষ্ঠানে শোক প্ৰকাশ কৰিছে।

0000000

**সমাপ্ত**